পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

সত্যমেব জয়তে

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 533 দিশপুৰ, বুধবাৰ, 9 ছেপ্টেম্বৰ, 2026, 18 ভাদ, 1948 (শক)

No. 533 Dispur, Wednesday, 9th September, 2026, 18th Bhadra, 1948 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

WOMEN AND CHILD DEVELOPMENT DEPARTMENT

## NOTIFICATION

The 8th September, 2026

**No. E-323768/126.-** In pursuance of the letter No. ECCE/14/2026-CPMU (e-148454) dated 25.06.2026 issued by the Ministry of Women and Child Development, Govt. of India and in supersession of Notification No. E-323768/94 dated 21.05.2025, the Governor of Assam is pleased to issue the following revised Guidelines relating to constitution and functioning of **Anganwadi Management Committee (AMC)**. This notification will come into force with immediate effect.

**ABHIJIT SINHA,**

Additional Secretary to the Government of Assam,

Women and Child Development Department.

## Guidelines for Anganwadi Management Committee (AMC)

**1. Introduction:**

Under Mission Saksham Anganwadi and Poshan 2.0, Anganwadi Centres (AWCs) serve as the primary platform for delivering the six core Anganwadi Services - Supplementary Nutrition; Pre-school Non-formal Education; Nutrition and Health Education; Immunization; Health Check-ups, and Referral Services to Pregnant Women and Lactating Mothers (PW&LMs), children of 0-6 years age and adolescent girls (in Aspirational Districts). Strengthening community participation is critical to improving service delivery, accountability, and outcomes at the grassroots level. Therefore, with a view to consolidate various community engagement initiatives undertaken/ to be undertaken under the Mission, a community-based institutional mechanism - namely Anganwadi Management Committee (AMC) - has been envisaged for each AWC. AMCs will strengthen decentralized governance by promoting community ownership and participatory oversight of AWCs, thereby enabling local communities to actively contribute towards improving the quality, accountability, and responsiveness of Anganwadi services. The Committee shall support Anganwadi Workers (AWWs) in discharge of their role and responsibilities and ensure that engagement of community in various activities is undertaken at AWC level such as awareness generation among the masses towards health, nutrition, responsive childcare, early stimulation and pre-school education of children of 0-6 years age etc.

**2. Objectives:**

The Anganwadi Management Committee (AMC) shall aim at:

**(i)** Strengthening community ownership and participation in the larger goal of eradication of malnutrition and instances of developmental delays among children of 0-6 years of age and ensuring their holistic development.

**(ii)** Supporting the AWWs in effective delivery of Anganwadi services to the beneficiaries for improving the nutrition, health, and Early Childhood Care and Education (ECCE) outcomes.

**(iii)** Creating mass awareness for adoption of responsive childcare practices by the parents and caregivers and promoting health-seeking behaviour, optimal feeding practices, and maternal nutrition among Pregnant Women and Lactating Mothers (PW&LMs).

**(iv)** Facilitating convergence with health, education and local governance systems available at grassroot level.

**(v)** Enhancing transparency, accountability, and responsiveness of AWC services.

**3. Composition of the Anganwadi Management Committee:**

The AMC shall be formally constituted by the Child Development Project Officer (CDPO) concerned, for every AWC under their jurisdiction. AMC members shall receive orientation at the time of formation and annually thereafter, on roles, responsibilities, and processes. The AMC shall be **an all women Committee** and shall have the following composition:

| Sl. No. | Members | Status | Number |
|---|---|---|---|
| 1. | Supervisor (Associated with the AWC concerned). | Chairperson | 1 |
| 2. | Anganwadi Worker (AWW) posted in the AWC. | Member cum Convener | 1 |
| 3. | ASHA Worker associated with the AWC. | Member | 1 |
| 4. | Mothers of 3-6-years children enrolled in the AWC. | Member | 2 |
| 5. | A woman member of local Self-Help Group (SHG)/ local NGO/CSOs | Member | 1 |
| 6. | Primary school teacher (female) of the nearby Govt. Primary School. | Member | 1 |

*Note: Preference shall be given to woman member from local Self-Help Groups (SHGs). In cases where no SHG is available in the locality, a woman member from a local NGO/CSO may be nominated.*

**4. Selection of Members:**

Supervisor, ASHA Worker and AWW will be the members of the Committee by virtue of their association with a particular AWC. Selection of Mothers, primary school teacher and a member of SHG as members of the AMC shall be conducted by CDPO concerned in the following manner:

**(i) Selection of mothers as member:** Only those mothers shall be selected as member whose children are 3-6 years of age and currently enrolled at the AWC. Preference may be given to those mothers who are educated up to class 10 or above. Care should be taken to ensure the voluntary participation of mothers who are also socially active and willing to devote their time for community work. Efforts should be made to include mothers from diverse socio-economic backgrounds.

**(ii) Selection of a member of SHG:** The SHG concerned should be locally situated and preference shall be given to SHG registered under NRLM/NULM scheme. Care should be taken to ensure the voluntary participation of SHG member who is also socially active and willing to devote her time for community work.

**(iii) Selection of a member of NGO/CSO:** Preference shall be given to locally active Non-Governmental Organizations (NGOs)/Civil Society Organizations (CSOs) working in the areas of women and child development, nutrition, health, education, Early Childhood Care and Education (ECCE), community mobilisation, or social welfare. Care should be taken to ensure that the representative nominated by the NGO/CSO is socially active, willing to voluntarily devote time for community work, and has experience in working with children, women, and communities at the grassroots level.

**(iv) Selection of a Government primary school teacher as member:** Preference shall be given to that Government primary school wherein AWC is co-located or AWC is mapped with. However, if there is no female primary school teacher in the co-located or mapped Govt. primary school, then female teacher from any other nearby Govt. primary school may be opted as member.

**5. Tenure of the Members:**

Supervisor, AWW, ASHA and Govt. primary school teacher shall be the ex-officio members of the AMC. The remaining members shall be rotated every two years.

**6. Functions of the Committee:**

**The AMC shall meet once every two months at the AWC**. The primary objectives of the Committee shall be to monitor the overall functioning of the AWC and oversee the timely, effective and quality implementation of services delivered under the Anganwadi Services Scheme. It will ensure active community engagement in health, nutrition, and early childhood care and foster synergy between the Anganwadi, community and local authorities to create a child-friendly, safe and well-resourced learning environment.

The AMC shall perform the following functions:

**(i)** Conduct regular review of service delivery, infrastructure and existing facilities, food quality, hygiene and overall cleanliness of AWC. The Committee shall identify gaps and specific local needs, facilitate timely corrective measures, and escalate unresolved issues to the CDPO/DPO for necessary action.

**(ii)** Support the AWW in home visits, growth monitoring, SNP distribution and conduct of daily ECCE activities as per Aadharshila.

**(iii)** Ensure that the two Community-Based Events (CBEs) are conducted every month, i.e. Village Health, Sanitation, and Nutrition Day (VHSND) and ECCE Days, apart from mobilizing community participation during Poshan Maah, Poshan Pakhwada, and Jan Andolans. Assist AWW/ASHA/Primary school teacher in organizing and conducting VHSNDs, ECCE Days, school exposure visits and other CBEs.

**(iv)** Promote effective engagement of caregivers and community at large in ECCE. The Committee shall engage Mother's Group/ Mahila Mandal/ Community based Support Groups/ SHGs in community outreach activities to enhance awareness and participation of caregivers and community in ECCE. The Committee shall communicate in simple and creative ways, to the population in the neighbourhood of the AWC, on the importance of maternal health and nutrition, early child nutrition, early stimulation and learning, responsive caregiving, including participation of male caregivers, particularly fathers in child care practices.

**(v)** Promote community participation and local ownership through celebration of birthdays, local festivals, Tithi Bhojan, and other community engagement activities at the AWC. [Note: The Committee shall ensure that meals and refreshments provided during community events are nutritious, safe, fresh, and in accordance with the nutritional norms and provisions prescribed under the National Food Security Act (NFSA)].

**(vi)** Establish convergence with SHGs / local functionaries of State Rural/ Urban Livelihood Missions/PRIs for conducting sensitization sessions, disseminating IEC materials, supporting community-based outreach activities to enhance awareness and participation. Organize periodic health, nutrition and early childhood care and learning awareness drives and promote community-based competitions on nutrition and childcare practices in convergence with local functionaries of health and education and local authorities.

**(vii)** Encourage resource mobilization by engaging parents, volunteers, corporate entities, local NGOs/CSOs, and community-based organizations to contribute time, expertise, and resources for strengthening Anganwadi services. Facilitate donations and community sharing of child-friendly materials and supplies such as toys, clothes, work-books, and no-cost / low-cost Teaching Learning Materials (TLMs).

**(viii)** Ensure effective management of malnourished children and children with developmental delays, including referrals, follow-ups and coordination with relevant functionaries, as per VHSND guidelines and provide additional support to families.

**(ix)** Ensure that the Supplementary Nutrition Programme (SNP) menu (with quantity, schedule, and beneficiaries), is prominently displayed at the AWC to promote transparency and beneficiary awareness. Ensure that the Poshan Tracker data is updated regularly, and accurately by both the Supervisor and the Anganwadi Worker. Monitor enrolment, attendance and inclusion of children with special needs and make appropriate efforts to ensure enrolment of all such children (if not already enrolled).

**(x)** Facilitate periodic household-level surveys and community mapping to identify pregnant women, lactating mothers and children aged 0-6 years, so as to ensure complete coverage of eligible beneficiaries.

**(xi)** Strengthen grievance redressal mechanism, ensuring that complaints received from various sources and on various issues are timely addressed.

**(xii)** Endeavor for establishment and maintenance of Poshan Vatikas through convergence with local functionaries of PRIs / ULBs, and with the support of community at large.

**(xiii)** Any other matter of importance concerning PW&LM and children of 0-6 years.

**7. Quorum:**

Quorum for all meetings shall be minimum four members out of total seven in the AMC. These four must always include Chairperson and Member-Convenor. The AMC will try to make all decisions unanimously. However, if there is a contest, the majority view would prevail. In case of a tie, the Supervisor will have a casting vote.

**8. Record Keeping and Reporting:**

**(i)** AMCs shall maintain standardized, pre-formatted brief Minutes of Meeting (MoM) for each meeting to ensure consistency and ease of reporting. The MoM shall capture key details including meeting date, attendance, discussion points, decisions taken, and action items with follow-up status. A standard format of the MoM is enclosed herewith for necessary adoption.

**(ii)** The completed MoM shall be submitted to the CDPO concerned within 07 days.

**(iii)** The CDPO shall review the performance of respective AMC at least twice a year using simple indicators such as number of meetings held, attendance percentage, decisions made and implemented, etc.

**9. Alignment:**

The CDPOs of the ICDS Projects shall constitute the new AMC for each AWC at the earliest. Any AWCMC or Anganwadi Level and Support Committee or any other existing Committee constituted under previous guidelines shall cease to exist on such constitution so that there is only one such Committee. However, existing bank accounts, if any, may be used by the new AMC under the joint signature of the Chairperson and Member-cum-Convener following due financial guidelines and maintaining proper record.

**ANNEXURE**

**FORMAT OF MINUTES OF MEETING OF ANGANWADI MANAGEMENT COMMITTEE**

**PART A - MEETING DETAILS:**

| | | | |
|---|---|---|---|
| **AWC Name & Code:** | | **Sector:** | |
| **Block/Project Name:** | | **District:** | |
| **Date of Meeting:** | | **Meeting No.:** | |
| **Venue/Location:** | | **Time:** | |

**PART B - ATTENDANCE REGISTER:**

| Sl. No. | Designation / Role in AMC | Name | Present (P) / Absent (A) |
|---|---|---|---|
| 1 | Supervisor (Chairperson) | | |
| 2 | Anganwadi Worker / AWW (Member-Convener) | | |
| 3 | ASHA (Member) | | |
| 4 | Primary School Teacher / Govt. School (Member) | | |
| 5 | Mother of 3-6 yr child enrolled at AWC (Member) | | |
| 6 | Mother of 3-6 yr child enrolled at AWC (Member) | | |
| 7 | SHG / NGO / CSO Woman Member (Member) | | |
| Total Members Present: ______ out of 7. | | Quorum Met (Min. 4): Yes / No | |

**PART C - REVIEW OF AWC FUNCTIONING** (Tick status for each item):

| **C1. Infrastructure & Facilities** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| AWC building is clean, safe, and functional | [ ]OK [ ] Issue | |
| Drinking water available and safe | [ ]OK [ ] Issue | |
| Toilet / sanitation facility functional | [ ]OK [ ] Issue | |
| Kitchen and storage facility | [ ]OK [ ] Issue | |
| Adequate furniture, equipment, and TLM available | [ ]OK [ ] Issue | |
| SNP menu displayed prominently at AWC | [ ]OK [ ] Issue | |
| Poshan Vatika established / maintained | [ ]OK [ ] Issue | |

| **C2. Supplementary Nutrition Programme (SNP)** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| THR distribution done as per schedule | [ ]OK [ ] Issue | |
| HCM provided regularly | [ ]OK [ ] Issue | |
| Food quality, hygiene, and freshness maintained | [ ]OK [ ] Issue | |
| SNP quantity as per prescribed norms (NFSA) | [ ]OK [ ] Issue | |

| **C3. Growth Monitoring, Home Visits & Malnutrition Management** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| Growth monitoring done for all | [ ]OK [ ] Issue | |

| | | |
|---|---|---|
| 0-6 yr children | | |
| Development milestones recorded for children 0-3 years | [ ]OK [ ] Issue | |
| Health check-up organized / referrals made | [ ]OK [ ] Issue | |
| SAM / MAM children identified and referred | [ ]OK [ ] Issue | |
| Children not achieving the developmental milestones are reassessed by ANM/MO during VHSND and referred, if required | [ ]OK [ ] Issue | |
| Follow-up done on previously referred cases | [ ]OK [ ] Issue | |

| **C4. ECCE & Pre-School Education (Aadharshila)** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| ECCE / Aadharshila activities conducted daily | [ ]OK [ ] Issue | |
| ECCE Day conducted this period | [ ]OK [ ] Issue | |
| School exposure visit conducted | [ ]OK [ ] Issue | |

| **C5. Community Engagement & Convergence** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| VHSND conducted previous months | [ ]OK [ ] Issue | |
| Birthday / local festival / Tithi Bhojan celebrated at AWC | [ ]OK [ ] Issue | |
| Donations / TLMs / child-friendly materials received from community | [ ]OK [ ] Issue | |
| Community-based competitions on nutrition & childcare practices conducted | [ ]OK [ ] Issue | |

| **C6. Enrollment, Coverage, Grievances & Inclusion** | | |
|---|---|---|
| **Item to Review** | **Status** | **Remarks / Issues** |
| Poshan Tracker data updated by AWW & Supervisor | [ ]OK [ ] Issue | |
| Enrolment of all eligible children (0-6 yrs) ensured | [ ]OK [ ] Issue | |
| Children with special needs enrolled / followed up | [ ]OK [ ] Issue | |
| Beneficiaries coverage updated in Poshan Tracker | [ ]OK [ ] Issue | |
| Household survey / community mapping done to identify PW&LMs and children 0-6 yrs | [ ]OK [ ] Issue | |
| Grievances / complaints received and addressed timely | [ ]OK [ ] Issue | |
| Unresolved grievances escalated to CDPO | [ ]OK [ ] Issue | |

**PART D - DECISIONS & ACTION ITEMS:**

| Sl. No. | DECISIONS & ACTION ITEMS |
|---|---|
| 1. | |
| 2. | |
| | |
| | |

**PART E - FOLLOW-UP ON PREVIOUS MEETING:**

| Sl. No. | FOLLOW-UP ON PREVIOUS MEETING |
|---|---|
| 1. | |
| 2. | |
| | |
| | |

**PART F - SIGNATURES OF ALL AMC MEMBERS:**

| Sl. No. | Name of the Members | Designation (Role in AMC) | Signature |
|---|---|---|---|
| 1 | | Supervisor (Chairperson) | |
| 2 | | AWW (Member-Convener) | |
| 3 | | ASHA (Member) | |
| 4 | | Primary School Teacher (Member) | |
| 5 | | Mother of 3-6 yr child (Member) | |
| 6 | | Mother of 3-6 yr child (Member) | |
| 7 | | SHG / NGO / CSO (Member) | |

**This MoM must be submitted to the CDPO within 07 days of the meeting**

**অসম চৰকাৰ**

**মহিলা আৰু শিশু বিকাশ বিভাগ**

**দিশপুৰ ঃঃ গুৱাহাটী-০৬**

**ৰাজ্যপালৰ আদেশ মৰ্মে**

**অধিসূচনা**

**৮ ছেপ্টেম্বৰ, ২০২৬**

**নং ই- ৩২৩৭৬৮/১২৬**.- ভাৰত চৰকাৰে জাৰি কৰা ২৫.০৬.২০২৬ তাৰিখৰ পত্ৰ নং ECCE/14/2026-CPMU (e-148454)-ৰ পৰিপ্ৰেক্ষিতত আৰু ২১.০৫.২০২৫ তাৰিখৰ অধিসূচনা নং E-323768/94-ৰ ঠাইত, অসমৰ ৰাজ্যপালে **অংগনবাড়ী পৰিচালনা সমিতি (Anganwadi Management Committee – AMC)**-ৰ গঠন আৰু কাৰ্য সম্পাদন সম্পৰ্কীয় তলত উল্লেখ কৰা সংশোধিত নিৰ্দেশনাসমূহ জাৰি কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

এই অধিসূচনা তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব।

**অভিজিৎ সিনহা,**
অতিৰিক্ত সচিব, অসম চৰকাৰ,
মহিলা আৰু শিশু উন্নয়ন বিভাগ।

# অংগনবাড়ী পৰিচালনা সমিতিৰ বাবে নিৰ্দেশনা

## ১/ পৰিচয়:

**মিছন সক্ষম অংগনবাড়ী আৰু পোষণ ২.০ৰ** অধীনত অংগনবাড়ী কেন্দ্ৰসমূহে (AWCs) গৰ্ভৱতী মহিলা আৰু স্তন্যপান কৰোৱা মাতৃসকল (PW&LMs), ০–৬ বছৰ বয়সৰ শিশু সকল আৰু কিশোৰীসকলৰ (আকাংক্ষিত জিলাসমূহত) বাবে ছটা মূল অংগনবাড়ী সেৱা– পৰিপূৰকপুষ্টি, প্ৰাক্-বিদ্যালয় অনানুষ্ঠানিক শিক্ষা, পুষ্টি আৰু স্বাস্থ্য শিক্ষা, টিকাকৰণ, স্বাস্থ্য পৰীক্ষা আৰু ৰেফাৰেল সেৱা–প্ৰদানৰ প্ৰধান মাধ্যম হিচাপে কাৰ্য নিৰ্বাহ কৰে। তৃণমূল পৰ্যায়ত সেৱা প্ৰদানৰ মানদণ্ড, জবাবদিহিতা আৰু ফলাফল উন্নত কৰাৰ বাবে সামাজিক অংশগ্ৰহণ শক্তিশালী কৰাটো অতি গুৰুত্বপূৰ্ণ। সেয়েহে, মিছনৰ অধীনত ইতিমধ্যে গ্ৰহণ কৰা/ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া বিভিন্ন সামাজিক অংশগ্ৰহণমূলক পদক্ষেপ সমূহক একত্ৰিত আৰু সুসংগঠিত কৰাৰ উদ্দেশ্যে প্ৰতিটো অংগনবাড়ী কেন্দ্ৰৰ বাবে অংগনবাড়ী পৰিচালনা সমিতি (Anganwadi Management Committee—AMC) নামেৰে এক সমাজ ভিত্তিক প্ৰাতিষ্ঠানিক ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছে। এএমচিয়ে অংগনবাড়ী কেন্দ্ৰসমূহৰ প্ৰতি সমাজৰ মালিকী স্বত্ববোধ আৰু অংশগ্ৰহণ মূলক তদাৰকী উৎসাহিত কৰাৰ জৰিয়তে বিকেন্দ্ৰী কৃতশাসন ব্যৱস্থা শক্তিশালী কৰিব। ইয়াৰ ফলত স্থানীয় ৰাইজে অংগনবাড়ী সেৱাৰ গুণগত মান, জবাবদিহিতা আৰু সঁহাৰিদায়কতা উন্নতকৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অৱদান আগবঢ়াব পাৰিব। সমিতিখনে অংগনবাড়ী কৰ্মীসকলক (AWWs) তেওঁলোকৰ ভূমিকা আৰু দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাত সহায় কৰিব আৰু অংগনবাড়ী কেন্দ্ৰপৰ্যায়ত বিভিন্ন কাৰ্যকলাপত সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব। ইয়াৰ ভিতৰত স্বাস্থ্য, পুষ্টি, সঁহাৰিদায়ক শিশু যত্ন, প্ৰাৰম্ভিক উদ্দীপনা (Early Stimulation) আৰু ০–৬ বছৰ বয়সৰ শিশু সকলৰ প্ৰাক্-বিদ্যালয় শিক্ষাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি আদি অন্তৰ্ভুক্ত হ'ব।

## ২/ উদ্দেশ্যসমূহ:

অংগনবাড়ী পৰিচালনা সমিতিৰ লক্ষ্য হ'ব:

(i) ০–৬ বছৰ বয়সৰ শিশুসকলৰ মাজত অপুষ্টি নিৰ্মূলকৰণ আৰু বিকাশজনিত বিলম্বৰ

ঘটনা হ্ৰাস কৰাৰ লগতে তেওঁলোকৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ বৃহত্তৰ লক্ষ্যত সমাজৰ মালিকী স্বত্ববোধ আৰু অংশগ্ৰহণ শক্তিশালী কৰা।

(ii)হিতাধিকাৰীসকলক অংগনবাড়ী সেৱাসমূহ ফলপ্ৰসূভাৱে প্ৰদান কৰাৰ ক্ষেত্ৰত অংগনবাড়ী কৰ্মীসকলক (AWWs) সহায় কৰা, যাতেপুষ্টি, স্বাস্থ্য আৰু প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (Early Childhood Care and Education—ECCE)-ৰ ফলাফল উন্নত কৰিব পৰা যায়।

(iii)পিতৃ-মাতৃ আৰু শিশুৰ যত্ন লোৱা ব্যক্তিসকলৰ দ্বাৰা শিশুৰ প্ৰয়োজন আৰু সংকেতৰ প্ৰতি সঁহাৰিদায়ক শিশুযত্নৰ পদ্ধতি গ্ৰহণৰ বাবে ব্যাপক সজাগতা সৃষ্টি কৰা আৰু গৰ্ভৱতী মহিলা আৰু স্তন্যপান কৰোৱা মাতৃসকলৰ (PW&LMs)মাজত স্বাস্থ্যসেৱা গ্ৰহণৰ উপযুক্ত আচৰণ, অনুকূল খাদ্য প্ৰদানৰ পদ্ধতি আৰু মাতৃৰ পুষ্টি উন্নীত কৰা।

(iv)তৃণমূল পৰ্যায়ত উপলব্ধ স্বাস্থ্য, শিক্ষা আৰু স্থানীয় শাসন ব্যৱস্থাসমূহৰ সৈতে সমন্বয় (convergence) সাধন কৰাত সহায় কৰা।

(v)অংগনবাড়ী কেন্দ্ৰ (AWC)-ৰ সেৱাসমূহৰ ক্ষেত্ৰতস্বচ্ছতা, জবাবদিহিতা আৰু সঁহাৰিদায়কতা বৃদ্ধি কৰা।

**৩/অংগনবাড়ী পৰিচালনা সমিতিৰ গঠনঃ**

অংগনৱাড়ী পৰিচালনা সমিতি (AMC)-খন সংশ্লিষ্টশিশু উন্নয়ন প্ৰকল্প বিষয়া(CDPO)-ই তেওঁলোকৰ অধীনস্থ প্ৰতিটো অংগনবাড়ী কেন্দ্ৰৰ (AWC) বাবে আনুষ্ঠানিকভাৱে গঠন কৰিব। এএমচিৰ সদস্যসকলক সমিতি গঠনৰ সময়ত আৰু তাৰ পিছত প্ৰতি বছৰে তেওঁলোকৰ ভূমিকা, দায়িত্ব আৰু কাৰ্যপ্ৰণালী সম্পৰ্কে অভিমুখীকৰণ প্ৰদান কৰা হ'ব। AMC এখন সৰ্বমহিলা সমিতি হ'ব আৰু ইয়াৰ গঠন তলত উল্লেখ কৰা ধৰণে হ'ব।

| ক্ৰমিক নম্বৰ | সদস্যা | পদমৰ্যাদা | সংখ্যা |
|---|---|---|---|
| ১. | সংশ্লিষ্ট অংগনৱাড়ী কেন্দ্ৰৰ সৈতে সংযুক্ত মুখ্যসেৱিকা | সভানেত্ৰী | ১ |
| ২. | অংগনৱাড়ী কেন্দ্ৰত কৰ্মৰত অংগনৱাড়ী কৰ্মী (AWW) | সদস্যা-আহ্বায়ক | ১ |
| ৩. | AWC ৰ সৈতে জড়িত আশাকৰ্মী | সদস্যা | ১ |
| ৪. | অংগনৱাড়ী কেন্দ্ৰত নামভৰ্তি কৰা ৩–৬ বছৰীয়া শিশুৰ মাতৃসকল | সদস্যা | ২ |
| ৫. | স্থানীয়আত্ম-সহায়কগোট (SHG) / স্থানীয় বেচৰকাৰী সংস্থা (NGO) / নাগৰিক সমাজ সংগঠন (CSO)-ৰ এগৰাকী মহিলা সদস্যা | সদস্যা | ১ |
| ৬. | ওচৰৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী মহিলা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী | সদস্যা | ১ |

**টোকা**: স্থানীয় আত্ম-সহায়কগোট(SHG)-ৰ পৰা এগৰাকী মহিলা সদস্যাক অগ্ৰাধিকাৰ দিয়া হ'ব। যদিহে সংশ্লিষ্ট অঞ্চলত কোনো আত্ম-সহায়ক গোট (SHG) উপলব্ধ নাথাকে, তেন্তে স্থানীয় বেচৰকাৰী সংস্থা (NGO)/নাগৰিক সমাজ সংগঠন (CSO)-ৰ এগৰাকী মহিলা সদস্যাক মনোনীত কৰিব পাৰি।

৪/ **সদস্যানিৰ্বাচন**:

মুখ্যসেৱিকা, আশা(ASHA) কৰ্মী আৰু অংগনৱাড়ী কৰ্মী (AWW) সংশ্লিষ্ট অংগনৱাড়ী কেন্দ্ৰ(AWC)-ৰ সৈতে তেওঁলোকৰ সম্পৰ্কৰ ভিত্তিত সমিতিৰ সদস্যা হ'ব। মাতৃসকল, প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী আৰু আত্ম-সহায়কগোট (SHG)-ৰ এগৰাকী সদস্যাক AMC-ৰ সদস্যা হিচাপে বাছনি কৰাৰ প্ৰক্ৰিয়াটো সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO)-ই তলত উল্লেখ কৰা ধৰণে সম্পন্ন কৰিব:

(i) **মাতৃসকলক সদস্যা হিচাপে বাছনি**:কেৱল সেইসকল মাতৃক সদস্যা হিচাপে বাছনিকৰা হ'ব, যিসকলৰ সন্তানৰ বয়স ৩–৬ বছৰৰ ভিতৰত আৰু বৰ্তমান সংশ্লিষ্ট অংগনৱাড়ী কেন্দ্ৰ (AWC)-ত নামভৰ্তি হৈ আছে। দশম শ্ৰেণী বা তাতকৈ অধিক শিক্ষাগত অৰ্হতা থকা মাতৃসকলক অগ্ৰাধিকাৰ দিব পাৰি। সামাজিকভাৱে সক্ৰিয় আৰু সম্প্ৰদায়িক কাম-কাজৰ বাবে নিজৰ সময় দিবলৈ ইচ্ছুক মাতৃসকলৰ স্বেচ্ছামূলক অংশগ্ৰহণ নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ যত্ন ল'ব লাগিব। বিভিন্ন সামাজিক-আৰ্থিক পটভূমিৰ মাতৃসকলক অন্তৰ্ভুক্ত কৰাৰ বাবে যথাসম্ভৱ প্ৰচেষ্টা চলাব লাগিব।

(ii) **আত্ম-সহায়কগোট(SHG)-ৰ এগৰাকী সদস্যৰ বাছনি**:সংশ্লিষ্ট আত্ম-সহায়কগোট (SHG) টো স্থানীয়ভাৱে অৱস্থিত হ'ব লাগিব আৰু NRLM/NULM আঁচনিৰ অধীনত পঞ্জীয়নভুক্ত স্ব-সহায়ক গোটসমূহক অগ্ৰাধিকাৰ দিয়া হ'ব। সামাজিকভাৱে সক্ৰিয় আৰু সামাজিক কাম-কাজৰ বাবে নিজৰ সময় দিবলৈ ইচ্ছুক SHG-ৰ সদস্যাগৰাকীৰ স্বেচ্ছামূলক অংশগ্ৰহণ নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ যত্ন ল'ব লাগিব।

(iii) **বেচৰকাৰী সংস্থা (NGO)/নাগৰিক সমাজ সংগঠন (CSO)-ৰ এগৰাকী সদস্যৰ বাছনি**: স্থানীয়ভাৱে সক্ৰিয় আৰু মহিলা আৰু শিশু বিকাশ, পুষ্টি, স্বাস্থ্য, শিক্ষা, প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (ECCE), সমাজৰ সংগঠিতকৰণ অথবা সমাজ কল্যাণৰ ক্ষেত্ৰত কাম কৰি থকা বেচৰকাৰী সংস্থা (NGO)/নাগৰিক সমাজ সংগঠন (CSO)-সমূহক অগ্ৰাধিকাৰ দিয়া হ'ব। NGO/CSO-ৰ দ্বাৰা মনোনীত প্ৰতিনিধিগৰাকী সামাজিকভাৱে সক্ৰিয়, স্বেচ্ছামূলকভাৱে সমাজৰ কল্যাণমূলক কাম-কাজৰ বাবে সময় দিবলৈ ইচ্ছুক আৰু তৃণমূল পৰ্যায়ত শিশু, মহিলা আৰু

সম্প্ৰদায়ৰ সৈতে কাম কৰাৰ অভিজ্ঞতা থকা হোৱাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ যত্ন ল'ব লাগিব।

(iv) **চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰীক সদস্যা হিচাপে বাছনি**:যিখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত অংগনৱাড়ী কেন্দ্ৰ (AWC) একেলগে অৱস্থিত বা যিখন বিদ্যালয়ৰ সৈতে AWC-টো মেপ কৰা হৈছে, সেই বিদ্যালয়ৰ শিক্ষয়িত্ৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। কিন্তু, একেলগে অৱস্থিত বা মেপ কৰা চৰকাৰী প্ৰাথমিক বিদ্যালয়খনত যদি কোনো মহিলা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী নাথাকে, তেন্তে ওচৰৰ আন কোনো চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী মহিলা শিক্ষয়িত্ৰীক সদস্য হিচাপে বাছনি কৰিব পাৰি।

**৫. সদস্যাসকলৰ কাৰ্যকাল**:

মুখ্যসেৱিকা, অংগনৱাড়ী কৰ্মী (AWW), আশা (ASHA) কৰ্মী আৰু চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকল পদাধিকাৰবলে AMC-ৰ সদস্যা হিচাপে থাকিব। আন সদস্যাসকলক প্ৰতি দুবছৰৰ মূৰে মূৰে পৰ্যায়ক্ৰমে সলনি কৰা হ'ব।

**৬. সমিতিৰ কাৰ্যাৱলী**:

AMC-ৰ বৈঠক প্ৰতি দুমাহৰ মূৰে মূৰে অংগনৱাড়ী কেন্দ্ৰ (AWC)-ত অনুষ্ঠিত হ'ব।সমিতিখনৰ মূল উদ্দেশ্য হ'ব AWC-ৰ সামগ্ৰিক কাৰ্যকলাপ নিৰীক্ষণ কৰা আৰু অংগনৱাড়ী সেৱা আঁচনিৰ অধীনত প্ৰদান কৰা সেৱাসমূহৰ সময়মতে, ফলপ্ৰসূভাৱে আৰু গুণগত মানসম্পন্ন ৰূপায়ণ নিশ্চিত কৰা।সমিতিখনে স্বাস্থ্য, পুষ্টি আৰু প্ৰাৰম্ভিক শৈশৱকালীন যত্নৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব আৰু অংগনৱাড়ী কেন্দ্ৰ, সম্প্ৰদায় তথা স্থানীয় কৰ্তৃপক্ষৰ মাজত সমন্বয় আৰু সহযোগিতা বৃদ্ধি কৰি শিশু অনুকূল, সুৰক্ষিত আৰু পৰ্যাপ্ত সা-সুবিধাযুক্ত শিক্ষণ পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব।

**AMC-য়ে তলত উল্লেখ কৰা কাৰ্যসমূহ সম্পাদন কৰিব**:

**(i)**অংগনৱাড়ী কেন্দ্ৰ (AWC)-ত প্ৰদান কৰা সেৱাসমূহ, আন্তঃগাঁথনি আৰু বিদ্যমান সা-সুবিধাসমূহ, খাদ্যৰ গুণগত মান, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সামগ্ৰিক চাফ-চিকুণতাৰ নিয়মীয়া পৰ্যালোচনা কৰিব। সমিতিখনে সেৱা প্ৰদানৰ ক্ষেত্ৰত থকা ঘাটি আৰু স্থানীয়ভাৱে প্ৰয়োজনীয় নিৰ্দিষ্ট বিষয়সমূহ চিনাক্ত কৰিব, সময়মতে সংশোধনমূলক ব্যৱস্থা গ্ৰহণত সহায় কৰিব আৰু সমাধান নোহোৱা বিষয়সমূহ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে শিশু উন্নয়ন প্ৰকল্প বিষয়া/মাণ্ডলিক কাৰ্যক্ৰম বিষয়া (CDPO/DPO)-ৰ ওচৰত উত্থাপন কৰিব।

**(ii)**আধাৰশিলা (Aadharshila)-ত নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি অংগনৱাড়ী কৰ্মী (AWW)-ক গৃহ পৰিদৰ্শন, শিশুৰ বৃদ্ধি নিৰীক্ষণ, পৰিপূৰক পুষ্টি আঁচনি (SNP)-ৰ খাদ্য/সামগ্ৰী বিতৰণ আৰু দৈনিক প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (ECCE)-ৰ কাৰ্যকলাপ সম্পাদনত সহায় কৰিব।

(iii)প্ৰতি মাহে দুটা সামাজিক অনুষ্ঠান (Community-Based Events—CBEs), অৰ্থাৎগাঁও স্বাস্থ্য, অনাময় আৰু পুষ্টি দিৱস (VHSND) আৰু ECCE দিৱস, নিয়মীয়াকৈ অনুষ্ঠিত হোৱাটো নিশ্চিত কৰিব। ইয়াৰ উপৰিপোষণ মাহ, পোষণ পখৱাড়া আৰু জন আন্দোলনৰ সময়ত সম্প্ৰদায়ৰ অংশগ্ৰহণ সংগঠিত কৰাত সহায় কৰিব। VHSND, ECCE দিৱস, বিদ্যালয় পৰিচয়মূলক ভ্ৰমণ (School Exposure Visits) আৰু অন্যান্য সম্প্ৰদায়ভিত্তিক অনুষ্ঠানসমূহ আয়োজন আৰু পৰিচালনাত AWW/ASHA কৰ্মী/প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীক সহায় কৰিব।

(iv)প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (ECCE)-ৰ ক্ষেত্ৰত শিশুৰ যত্ন লোৱা ব্যক্তি আৰু সামগ্ৰিকভাৱে সমাজৰ ফলপ্ৰসূ অংশগ্ৰহণ বৃদ্ধি কৰিব। সমিতিখনে শিশুৰ যত্ন লোৱা ব্যক্তি আৰু সমাজৰ মাজত ECCE সম্পৰ্কে সজাগতা আৰু অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাইজৰ সৈতে যোগাযোগমূলক কাৰ্যকলাপত মাতৃ গোট/মহিলা মণ্ডল/সামাজিক সহায়ক গোট/ স্ব-সহায়ক গোট (SHG)-ক জড়িত কৰিব। সমিতিখনে অংগনৱাড়ী কেন্দ্ৰ (AWC)-ৰ চৌপাশৰ অঞ্চলৰ জনসাধাৰণক সৰল আৰু সৃষ্টিশীল পদ্ধতিৰে মাতৃৰ স্বাস্থ্য আৰু পুষ্টি, শিশুৰ প্ৰাৰম্ভিক পুষ্টি, প্ৰাৰম্ভিক উদ্দীপনা আৰু শিক্ষণ, সঁহাৰিমূলক শিশু যত্ন আদিৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰিব। ইয়াৰ লগতে শিশুৰ যত্নৰ ক্ষেত্ৰত পুৰুষ শিশুযত্নকাৰী, বিশেষকৈ পিতৃসকলৰ অংশগ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব।

(v)অংগনৱাড়ী কেন্দ্ৰত জন্মদিন, স্থানীয় উৎসৱ, তিথি ভোজন আৰু অন্যান্য সামাজিক অংশগ্ৰহণমূলক কাৰ্যকলাপ উদযাপনৰ জৰিয়তে সমাজৰ অংশগ্ৰহণ আৰু স্থানীয়ভাৱে দায়িত্ববোধ বৃদ্ধি কৰিব।[টোকা: সমিতিখনে নিশ্চিত কৰিব যে সামাজিক অনুষ্ঠানসমূহত পৰিৱেশন কৰা আহাৰ আৰু জলপান পুষ্টিকৰ, সুৰক্ষিত, সতেজ আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA)-ৰ অধীনত নিৰ্ধাৰিত পুষ্টিগত মানদণ্ড আৰু বিধান অনুসৰি হয়।]

(vi)সংবেদনশীলতা সৃষ্টিমূলক সভা (Sensitization Sessions) অনুষ্ঠিত কৰা, তথ্য, শিক্ষা আৰু যোগাযোগ (IEC) সামগ্ৰী বিতৰণ কৰা আৰু সজাগতা তথা অংশগ্ৰহণ বৃদ্ধিৰ উদ্দেশ্যে সামাজিক যোগাযোগমূলক কাৰ্যকলাপত সহায় কৰাৰ বাবে স্ব-সহায়ক গোট (SHG)/ৰাজ্যিক গ্ৰাম্য/নগৰীয়া জীৱিকা অভিযানৰ স্থানীয় কাৰ্যকৰী বিষয়া/কৰ্মচাৰী/স্থানীয় প্ৰতিনিধি/পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (PRI)-ৰ সৈতে সমন্বয় স্থাপন কৰিব। স্বাস্থ্য, পুষ্টি আৰু প্ৰাৰম্ভিক শৈশৱকালীন যত্ন তথা শিক্ষণৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে সময়ে সময়ে অভিযান অনুষ্ঠিত কৰিব আৰু স্বাস্থ্য আৰু শিক্ষা বিভাগৰ স্থানীয় কাৰ্যকৰী বিষয়া/কৰ্মচাৰী তথা স্থানীয় কৰ্তৃপক্ষৰ সৈতে সমন্বয় স্থাপন কৰি পুষ্টি আৰু শিশু যত্নৰ পদ্ধতিৰ ওপৰত সামাজিক প্ৰতিযোগিতা আয়োজন আৰু প্ৰচাৰ কৰিব।

(vii)অভিভাৱক, স্বেচ্ছাসেৱক, কৰ্পʼৰেট প্ৰতিষ্ঠান, স্থানীয় বেচৰকাৰী সংস্থা (NGO)/নাগৰিক সমাজ সংগঠন (CSO) আৰু সামাজিক সংগঠনসমূহক জড়িত কৰি অংগনৱাড়ী সেৱা শক্তিশালী কৰাৰ বাবে তেওঁলোকৰ সময়, দক্ষতা আৰু সম্পদৰ অৱদান আগবঢ়াবলৈ

উৎসাহিত কৰি সম্পদ সংগ্ৰহৰ ব্যৱস্থা গ্ৰহণ কৰিব। শিশু-অনুকূল সামগ্ৰী আৰু সা-সামগ্ৰী, যেনে খেলনা, কাপোৰ, কাৰ্যপুস্তিকা (Work-books) আৰু বিনামূলীয়া/কম খৰচৰ শিক্ষণ-শিকন সামগ্ৰী (TLMs) আদি দান আৰু সমাজৰ মাজত ভাগ-বতৰা কৰাৰ ক্ষেত্ৰত সহায় কৰিব।

(viii)অপুষ্টিত ভোগা শিশু আৰু বিকাশজনিত বিলম্ব থকা শিশুসকলৰ ফলপ্ৰসূ ব্যৱস্থাপনা নিশ্চিত কৰিব। ইয়াৰ ভিতৰত VHSND-ৰ নিৰ্দেশনা অনুসৰি প্ৰয়োজনীয় ক্ষেত্ৰত ৰেফাৰেল, পৰৱৰ্তী অনুসৰণ (Follow-up) আৰু সংশ্লিষ্ট বিষয়া/কৰ্মচাৰীৰ সৈতে সমন্বয় সাধন কৰা আৰু পৰিয়ালসমূহক অতিৰিক্ত সহায় আগবঢ়োৱাও অন্তৰ্ভুক্ত হ'ব।

(ix) স্বচ্ছতা আৰু হিতাধিকাৰীসকলৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে অংগনৱাড়ী কেন্দ্ৰ (AWC)-ত পৰিপূৰক পুষ্টি কাৰ্যসূচী (SNP)-ৰ মেনু (পৰিমাণ, সময়সূচী আৰু হিতাধিকাৰীসহ) স্পষ্টভাৱে প্ৰদৰ্শন কৰাটো নিশ্চিত কৰিব। মুখ্যসেৱিকা আৰু অংগনৱাড়ী কৰ্মী দুয়োগৰাকীয়ে পোষণ ট্ৰেকাৰ (Poshan Tracker)-ৰ তথ্য নিয়মীয়াকৈ আৰু সঠিকভাৱে হালনাগাদ কৰাটো নিশ্চিত কৰিব। বিশেষ প্ৰয়োজনীয়তা থকা শিশুসকলৰ নামভৰ্তি, উপস্থিতি আৰু অন্তৰ্ভুক্তি নিৰীক্ষণ কৰিব আৰু ইতিমধ্যে নামভৰ্তি নোহোৱা এনে সকলো শিশুৰ নামভৰ্তি নিশ্চিত কৰাৰ বাবে যথোচিত প্ৰচেষ্টা চলাব।

(x)যোগ্য সকলো হিতাধিকাৰীক সম্পূৰ্ণৰূপে সামৰি লোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে গৰ্ভৱতী মহিলা, স্তন্যপান কৰোৱা মাতৃ আৰু ০-৬ বছৰ বয়সৰ শিশুসকলক চিনাক্ত কৰাৰ বাবে সময়ে সময়ে পৰিয়ালভিত্তিক সমীক্ষা আৰু সামাজিক মানচিত্ৰ প্ৰস্তুতকৰণ (Community Mapping)-ত সহায় কৰিব।

(xi)অভিযোগ নিষ্পত্তি ব্যৱস্থা অধিক শক্তিশালী কৰিব আৰু বিভিন্ন উৎসৰ পৰা আৰু বিভিন্ন বিষয়ত লাভ কৰা অভিযোগসমূহ সময়মতে নিষ্পত্তি কৰাটো নিশ্চিত কৰিব।

(xii)পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (PRI)/নগৰীয়া স্থানীয় সংস্থা (ULB)-ৰ স্থানীয় বিষয়া/কৰ্মচাৰীৰ সৈতে সমন্বয় স্থাপন কৰি আৰু সামগ্ৰিকভাৱে সম্প্ৰদায়ৰ সহায়তপোষণ বাটিকা (Poshan Vatika) স্থাপন আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ বাবে প্ৰচেষ্টা চলাব।

(xiii)মহিলা, গৰ্ভৱতী আৰু স্তন্যপান কৰোৱা মাতৃ (PW&LM) আৰু ০-৬ বছৰ বয়সৰ শিশুসকলৰ সৈতে জড়িত আন যিকোনো গুৰুত্বপূৰ্ণ বিষয়।

**৭. ক'ৰাম (Quorum):**

সকলো বৈঠকৰ বাবে AMC-ৰ মুঠ ৭ গৰাকী সদস্যাৰ ভিতৰত ন্যূনতম ৪ গৰাকী সদস্যাৰ উপস্থিতি কোৰাম হিচাপে গণ্য হ'ব। এই ৪ গৰাকী সদস্যাৰ ভিতৰতসভাপতি আৰুসদস্যা-আহ্বায়কসদায় উপস্থিত থাকিব লাগিব।AMC-য়ে সকলো সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰাৰ

বাবে চেষ্টা কৰিব। কিন্তু, কোনো বিষয়ত মতানৈক্য বা ভোটাভুটিৰ পৰিস্থিতিৰ সৃষ্টি হ'লে সংখ্যাগৰিষ্ঠ মতামত গ্ৰহণযোগ্য হ'ব। যদি ভোটৰ সংখ্যা সমান হয়, তেন্তেমুখ্যসেৱিকাই নিৰ্ণায়ক ভোট(Casting Vote) প্ৰদান কৰিব পাৰিব।

**৮. নথি সংৰক্ষণ আৰু প্ৰতিবেদন দাখিল:**

(i) প্ৰতিখন বৈঠকৰ বাবে AMC-সমূহে একে ধৰণৰ আৰু প্ৰতিবেদন প্ৰস্তুত কৰাত সুবিধাজনক হোৱাকৈ পূৰ্বনিৰ্ধাৰিত সংক্ষিপ্তবৈঠকৰ কাৰ্যবিৱৰণী(Minutes of Meeting—MoM) সংৰক্ষণ কৰিব লাগিব। MoM-ত বৈঠকৰ তাৰিখ, উপস্থিত সদস্যাৰ সংখ্যা/বিৱৰণ, আলোচ্য বিষয়সমূহ, গ্ৰহণ কৰা সিদ্ধান্তসমূহ আৰু পৰৱৰ্তী অনুসৰণৰ অৱস্থাসহ কাৰ্যকৰী কৰিবলগীয়া বিষয়সমূহ (Action Items) উল্লেখ থাকিব লাগিব। MoM-ৰ এটা মানক আৰ্হি প্ৰয়োজনীয়ভাৱে গ্ৰহণৰ বাবে ইয়াৰ সৈতে সংলগ্ন কৰা হৈছে।

(ii) সম্পূৰ্ণ কৰা MoM সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO)-ৰ ওচৰত ০৭ (সাত) দিনৰ ভিতৰতদাখিল কৰিব লাগিব।

(iii) সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO)-ই বছৰত কমেও দুবাৰ সৰল সূচক, যেনে অনুষ্ঠিত কৰা বৈঠকৰ সংখ্যা, উপস্থিতিৰ শতকৰা হাৰ, গ্ৰহণ কৰা আৰু ৰূপায়ণ কৰা সিদ্ধান্ত আদিৰ ভিত্তিত সংশ্লিষ্ট AMC-ৰ কাৰ্যসম্পাদন পৰ্যালোচনা কৰিব লাগিব।

**৯. সামঞ্জস্যকৰণ (Alignment):**

ICDS প্ৰকল্পসমূহৰ সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO)-সকলে প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰ (AWC)-ৰ বাবে নতুনঅংগনৱাড়ী পৰিচালনা সমিতি (AMC)যিমান সোনকালে সম্ভৱ গঠন কৰিব লাগিব। পূৰ্বৰ নিৰ্দেশনা অনুসৰি গঠিত কোনোAWCMC বাঅংগনৱাড়ী পৰ্যায়ৰ সমিতি আৰু সহায়ক সমিতি (Anganwadi Level and Support Committee)অথবা আন কোনো বিদ্যমান সমিতি এনেদৰে নতুন AMC গঠন কৰাৰ লগে লগে বিলুপ্ত বুলি গণ্য হ'ব, যাতে প্ৰতিটো AWC-ৰ বাবে কেৱল এখনেই এনে সমিতি থাকে।অৱশ্যে, পূৰ্বৰে পৰা থকা কোনো বেংক একাউণ্ট থাকিলে, প্ৰযোজ্য বিত্তীয় নিৰ্দেশনা যথাযথভাৱে অনুসৰণ কৰি আৰু সঠিক নথি সংৰক্ষণ কৰিসভাপতি আৰু সদস্যা-আহ্বায়কৰ যুটীয়া স্বাক্ষৰতনতুন AMC-য়ে উক্ত বেংক একাউণ্ট ব্যৱহাৰ কৰিব পাৰিব।

**পৰিশিষ্ট**

অংগনৱাড়ী পৰিচালনা সমিতিৰ বৈঠকৰ কাৰ্যবিৱৰণীৰ আৰ্হি

অংশ–ক : বৈঠকৰ বিৱৰণ:

| | | | |
|---|---|---|---|
| **অংগনৱাড়ী কেন্দ্ৰৰ নাম আৰু ক'ড** | | **খণ্ড**: | |
| ব্লক/প্ৰকল্পৰনাম: | | জিলা: | |
| বৈঠকৰ তাৰিখ: | | বৈঠকৰ ক্ৰমিক নং: | |
| স্থান/স্থলী: | | সময়: | |

অংশ–খ-উপস্থিতি পঞ্জী:

| **ক্ৰমিক নম্বৰ** | **এএমচি**(AMC)-**তপদবী** / **ভূমিকা** | **নাম** | **উপস্থিত** (P) / **অনুপস্থিত** (A) |
|---|---|---|---|
| ১ | মুখ্যসেৱিকা (সভানেত্ৰী) | | |
| ২ | অংগনবাড়ীকৰ্মী(AWW ) (সদস্যা-আহ্বায়ক) | | |
| ৩ | আশাকৰ্মী (সদস্যা) | | |
| ৪ | প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী (চৰকাৰী বিদ্যালয়) (সদস্যা) | | |
| ৫ | AWC-ত নামভৰ্তি কৰা ৩–৬ বছৰৰ শিশুৰ মাতৃ (সদস্যা) | | |
| ৬ | AWC-ত নামভৰ্তি কৰা ৩–৬ বছৰৰ শিশুৰ মাতৃ (সদস্যা) | | |
| ৭ | SHG / NGO / CSO-ৰ মহিলা সদস্যা(সদস্যা) | | |
| মুঠ উপস্থিত সদস্যা: ________ জনী(৭ জনীৰ ভিতৰত) | | ক'ৰাম পূৰণ হৈছে (নুন্যতম ৪ জনী):হয়/নহয় | |

অংশ গ- অংগনৱাড়ী কেন্দ্ৰৰ (AWC) কাৰ্যকলাপৰ পৰ্যালোচনা(প্ৰতিটো বিষয়ৰ অৱস্থা অনুসৰি টিক ✓চিহ্ন দিয়ক):

| C1. আন্তঃগাঁথনি আৰু সা-সুবিধা | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য** / **সমস্যা** |
| অংগনৱাড়ী কেন্দ্ৰৰ ভৱন | [ ]ঠিকআছে [ ] সমস্যা | |

| | | |
|---|---|---|
| পৰিষ্কাৰ, সুৰক্ষিত আৰু কাৰ্যক্ষম | | |
| খোৱাপানীউপলব্ধআৰুনিৰাপদ | [ ]ঠিকআছে [ ] সমস্যা | |
| শৌচাগাৰ / অনাময়ব্যৱস্থাকাৰ্যক্ষম | [ ]ঠিকআছে [ ] সমস্যা | |
| ৰান্ধনীঘৰ আৰু সংৰক্ষণৰ ব্যৱস্থা | [ ]ঠিকআছে [ ] সমস্যা | |
| পৰ্যাপ্তআচবাব, সঁজুলি, আৰুটিএলএমউপলব্ধ | [ ]ঠিকআছে [ ] সমস্যা | |
| AWC-ত SNP-ৰ খাদ্য তালিকা স্পষ্টভাৱে প্ৰদৰ্শিত | [ ]ঠিকআছে [ ] সমস্যা | |
| পোষণ বাটিকা স্থাপন / ৰক্ষণাবেক্ষণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

| C2. পৰিপূৰক পুষ্টি কাৰ্যসূচী (SNP) | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য / সমস্যা** |
| নিৰ্ধাৰিত সময়সূচী অনুসৰি THR বিতৰণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| HCM নিয়মীয়াকৈ প্ৰদান কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| খাদ্যৰ গুণগত মান, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সতেজতা বজাই ৰখা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| নিৰ্ধাৰিত নীতি-নিৰ্দেশনা (NFSA) অনুসৰি SNP-ৰ পৰিমাণ | [ ]ঠিকআছে [ ] সমস্যা | |

| C3. বৃদ্ধি নিৰীক্ষণ, গৃহ পৰিদৰ্শন আৰু অপুষ্টি ব্যৱস্থাপনা | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য / সমস্যা** |
| ০–৬ বছৰৰ সকলো শিশুৰ বৃদ্ধি নিৰীক্ষণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| ০–৩ বছৰৰ শিশু সকলৰ বিকাশৰ মাইলষ্টোনসমূহ লিপিবদ্ধ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| স্বাস্থ্য পৰীক্ষা আয়োজন কৰা হৈছে/ৰেফাৰেল কৰাহৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

| | | |
|---|---|---|
| SAM / MAM শিশু সকল চিনাক্ত কৰি ৰেফাৰেল কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| বিকাশৰ মাইলষ্টোনসমূহ লাভ নকৰা শিশু সকলক VHSND-ৰ সময়ত ANM/MO-ৰ দ্বাৰা পুনৰ মূল্যায়ন কৰা হৈছে আৰু প্ৰয়োজন অনুসৰি ৰেফাৰ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| পূৰ্বে ৰেফাৰ কৰা ক্ষেত্ৰসমূহৰ অনুসৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

| C4. ECCE আৰু প্ৰাক্-বিদ্যালয়শিক্ষা (আধাৰশিলা) | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য / সমস্যা** |
| ECCE / আধাৰশিলা কাৰ্যকলাপ দৈনিকভাৱে অনুষ্ঠিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| এই সময়ছোৱাত ECCE দিৱস অনুষ্ঠিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| বিদ্যালয় পৰিদৰ্শনমূলক ভ্ৰমণ অনুষ্ঠিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

| C5. সামাজিক অংশগ্ৰহণ আৰু সমন্বয় | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য / সমস্যা** |
| পূৰ্বৱৰ্তী মাহসমূহত VHSND অনুষ্ঠিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| AWC-ত জন্মদিন/স্থানীয়উৎসৱ/তিথি/ ভোজন উদযাপন কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| সামাজিক অনুদান / TLMs / শিশু অনুকুল সামগ্ৰী লাভ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| পুষ্টি আৰু শিশুৰ যত্নৰ পদ্ধতি সম্পৰ্কীয় সামাজিকস্তৰত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

| C6. নামভৰ্তি, সামৰি লোৱা, অভিযোগ আৰু অন্তৰ্ভুক্তি | | |
|---|---|---|
| **পৰ্যালোচনা কৰিবলগীয়া বিষয়** | **অৱস্থা** | **মন্তব্য / সমস্যা** |
| অংগনবাড়ীকৰ্মীআৰু মুখ্যসেৱিকাৰ দ্বাৰা পোষণ ট্ৰেকাৰত তথ্য নৱীকৰণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| যোগ্যতা থকা সকলো শিশু (০–৬বছৰলৈ)-ৰনামভৰ্তি নিশ্চিত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| বিশেষপ্ৰয়োজনীয়তাথকা শিশু সকলৰ নামভৰ্তি/অনুসৰণমূলক ব্যৱস্থা কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| পোষণ ট্ৰেকাৰত হিতাধিকাৰীসকলৰ সামৰি লোৱাৰ তথ্য নৱীকৰণ কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| PW&LMs আৰু ০–৬ বছৰৰ শিশু সকলক চিনাক্ত কৰাৰ বাবে পৰিয়ালভিত্তিক সমীক্ষা / সামাজিক মানচিত্ৰ প্ৰস্তুত কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| লাভ কৰা অভিযোগ / আপত্তিসমূহ সময়মতে গ্ৰহণ কৰি সমাধান কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |
| সমাধান নোহোৱা অভিযোগসমূহ শিশু উন্নয়ন প্ৰকল্পবিষয়া(CDPO)-ৰ ওচৰত উত্থাপন কৰা হৈছে | [ ]ঠিকআছে [ ] সমস্যা | |

অংশ-ঘসিদ্ধান্তসমূহ আৰু কাৰ্যকৰী কৰিবলগীয়া বিষয়সমূহ:

| ক্ৰমিক নম্বৰ | সিদ্ধান্তসমূহ আৰু কাৰ্যকৰী কৰিবলগীয়া বিষয়সমূহ |
|---|---|
| ১. | |
| ২. | |
| | |
| | |

অংশ – ঙপূৰ্বৱৰ্তী সভাৰ অনুসৰণমূলক কাৰ্যকলাপ:

| ক্ৰমিক নম্বৰ | পূৰ্বৱৰ্তী সভাৰ অনুসৰণমূলক কাৰ্যকলাপ |
|---|---|
| ১. | |
| ২. | |
| | |
| | |

অংশ – চ AMC-ৰ সকলো সদস্যাৰ স্বাক্ষৰ:

| ক্ৰমিক নম্বৰ | সদস্যা সকলৰ নাম | পদবী (AMC-ত ভূমিকা) | স্বাক্ষৰ |
|---|---|---|---|
| ১ | | মুখ্যসেৱিকা (সভানেত্ৰী) | |
| ২ | | অংগনৱাড়ী কৰ্মী (AWW)(সদস্যা-আহ্বায়ক) | |
| ৩ | | আশাকৰ্মী(সদস্যা) | |
| ৪ | | প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী(সদস্যা) | |
| ৫ | | ৩–৬ বছৰৰ শিশুৰ মাতৃ (সদস্যা) | |
| ৬ | | ৩–৬ বছৰৰ শিশুৰ মাতৃ (সদস্যা) | |
| ৭ | | SHG / NGO / CSO (সদস্যা) | |

এই সভাৰ কাৰ্যবিৱৰণী (MoM)সভা অনুষ্ঠিত হোৱাৰ ০৭ দিনৰ ভিতৰত শিশু উন্নয়ন প্ৰকল্পবিষয়া(CDPO)-ৰ ওচৰত দাখিল কৰিব লাগিব

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1065 - 10 + 10 - 09- 09 - 2026. (visit at– dpns.assam.gov.in)